
আগবঢ়োৱাৰ কাৰণে মোৰ শিক্ষাগুৰু মাননীয় শ্ৰীযুত বসন্ত কুমাৰ দত্তৰ ওচৰত মই চিৰকৃতজ্ঞ ।

উল্লেখযোগ্য যে 'জৱাহৰ জ্যোতি'ক প্ৰকাশৰ পৰ্থলৈ অনা কাৰ্যত মোলৈ বিভিন্ন প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়োৱা বাবে লোহিত, ৰঞ্জিত, সঞ্জীৱ, বিৰিঞ্চি, সুশীল, ৰবী, গীতা, জোনালী, প্ৰণীতা, অনিতা, প্ৰণীতা নাথ, ভন্টি ইন্দিৰা, মাজনী (সংগীতা), অনা, কামিনী, ৰূপালী, নিজৰা, ৰিংকু, উষা, গীতা, টুটু, সুনিতা, ৰিতাঞ্জলি, বন্দনা, দীপা, জিতু, সম্প্ৰীতি, হীৰা, মাহী, মীৰা, মামনি, জ্যোতি, মণি, নলিনী, বিভূতি, জুলা বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । শেষত কাৰ্যকৰী আৰু সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ । আকৌ আলোচনীখন ছপাই উলিয়াই দিয়াৰ বাবে প্ৰেছৰ মাননীয় স্বত্বাধিকাৰী প্ৰমুখ্যে সমূহ কৰ্মচাৰীবৃন্দলৈ আমাৰ কৃতজ্ঞতা থাকিল ।

পৰিশেষত মুখপত্ৰখন প্ৰকাশ কৰা কাৰ্যত মোৰ অজানিত কিবা দোষ-ত্ৰুটি থাকিলে তাৰ বাবে ক্ষমা বিচাৰি আৰু 'জৱাহৰ জ্যোতি'ৰ উত্তোৰত্তৰ শ্ৰীবৃদ্ধি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ ।

শ্ৰীসত্যজিত কলিতা
সম্পাদক,
'জৱাহৰ জ্যোতি'



শ্ৰীভূপেন নাথ

# সহঃ আলোচনী সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯৬-৯৭ চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সহঃ আলোচনী সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰি এই মহান শিক্ষানুষ্ঠানখনলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়া বাবে মই আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু -বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

মহাবিদ্যালয় এখনৰ মুখপত্ৰ প্ৰকাশ কৰি উলিওৱা বৰ টান কাম । ইয়াৰ কাৰণ হ'ল এয়ে যে লেখক-লেখিকাসকলে তেওঁলোকৰ লিখনিসমূহ নিৰ্দ্ধাৰিত সময়ত সম্পাদকৰ হাতত জমা নিদিয়ে । কেবাবাৰো অনুৰোধ কৰাৰ পিছতহে লিখনিসমূহ বৰ পলমকৈ সম্পাদকৰ হাতত পৰে । পলমকৈ হাতত পৰিলেও প্ৰবন্ধ-পাতিৰ সংখ্যা অতি কম আৰু আনহাতে প্ৰায় বেছিভাগ প্ৰবন্ধ-পাতি আলোচনীত প্ৰকাশৰ কাৰণে অনুপযুক্ত বুলি বিবেচিত হয় । এনে স্থলত সম্পাদকজন বৰ বিমোৰত পৰে । যি হওক, আশা কৰোঁ, ভৱিষ্যতে লেখক লেখিকাসকলে ভালদৰে অধ্যয়নশীল হৈ প্ৰবন্ধ-পাতি লিখিবলৈ কাপ হাতত ল'ব যাতে তেওঁলোকৰ লিখনিসমূহ উচ্চ মানবিশিষ্ট হয় আৰু আলোচনীত প্ৰকাশৰ কাৰণে উপযুক্ত হয় ।

আমাৰ মহাবিদ্যালয়ৰ মুখপত্ৰ 'জৱাহৰ জ্যোতি'ৰ এই সংখ্যা ছপা কৰি উলিওৱাত পলম হোৱা বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ । আলোচনীখনৰ প্ৰবন্ধ-পাতিৰ মান কিমান উন্নত হৈছে সেইটো পঢ়ুৱৈ সমাজৰ বিচাৰাধীন ।

সদৌশেষত 'জৱাহৰ জ্যোতি'ৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ ।

ধন্যবাদেৰে
শ্ৰীভূপেন নাথ
সহঃ সম্পাদক,
'জৱাহৰ জ্যোতি'



শ্ৰীৰতন বৰুৱা

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৬-৯৭ চনৰ 'ছাত্ৰ একতা সভা'ৰ সাধাৰণ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰি মহান অনুষ্ঠানটিলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মই মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ কাৰণে চলা বিগত সংগ্ৰামত প্ৰাণাহুতি দিয়া বীৰ শ্বহীদসকললৈ আৰু সাম্প্ৰদায়িক সংঘৰ্ষত মৃত্যুবৰণ কৰা সকললৈ মোৰ অশ্ৰু-অঞ্জলি যাচিছোঁ।

সম্প্ৰতি হত্যা, লুণ্ঠন, ধৰ্ষণ, অপহৰণ আদিৰ উপৰিও সাম্প্ৰদায়িক সংঘৰ্ষৰ জুইকুৰাই চাৰিওপিনে আকাশ-বতাহ উত্তপ্ত কৰি তুলিছে। এনে পৰিপ্ৰেক্ষিতত আমি এই যুগত সভ্যতাৰ খোপৰ আৰোহণ কৰিবলৈ সক্ষম হৈছোঁ বুলি কোৱা নিৰৰ্থক। ইয়াৰ মূলতে হ'ল আমাৰ সকলোৰে মাজত ভাতৃত্বভাব, মিলাপ্ৰীতি, সম্ভাৱ আৰু আন্তৰিকতাৰ অভাৱ পৰিলক্ষিত হৈছে। ক্ৰমান্বয়ে ইজনৰপৰা সিজনে আঁতৰি গৈ আছে। ফলস্বৰূপে বিশ্ব-ইতিহাসে ঢুকি নোপোৱা কদৰ্য ঘটনাসমূহ সংঘটিত হ'ব ধৰিছে। আমি সকলোৱে শান্তিকামী। সেয়ে এনে পৰিস্থিতিৰ অৱসান ঘটাই দেশত শান্তি ঘূৰাই অনা আমাৰ সকলোৰে কৰ্তব্য। দেশৰ বুদ্ধিজীৱীসকল আৰু ছাত্ৰসমাজে এই ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰা নিতান্ত আৱশ্যক। সমাজ তথা দেশত শান্তিৰ পৰিবেশ অটুট থাকক- এয়ে আমাৰ সকলোৰে কামনা।

সাধাৰণ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মই মোৰ নিজ কৰ্তব্য আৰু দায়িত্বৰ প্ৰতি সচেতন হওঁ। বিগত কালছোৱাত ১৯৯৬-৯৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মহান অনুষ্ঠানটিলৈ সেৱা আগবঢ়োৱাত মই কিমান দূৰ সফলতা অৰ্জন কৰিছোঁ সেইটো ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ বিচাৰ্য। যি হওক এই কালছোৱাত মই মোৰ কাৰ্যৰ খতিয়ান তলত অকপটে দাঙি ধৰিছোঁ।

সাধাৰণ সম্পাদকৰ গধুৰ দায়িত্ব পালন কৰি এই মহান অনুষ্ঠানটিলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ পোৱাৰ কাৰণে মই পৰম আনন্দ লভিছোঁ। উল্লেখযোগ্য যে শিক্ষাৰ্থীসকলৰ প্ৰতিভা আৰু দক্ষতা বিকাশৰ সুবিধা আগবঢ়োৱাৰ উদ্দেশ্যে প্ৰতিবছৰে মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। মোৰ কাৰ্যকালছোৱাতে এই মহৎ উদ্দেশ্য আগত ৰাখি ১৯৯৬-৯৭ চনৰ ২০-১-৯৭ তাৰিখৰপৰা ২৭-১-৯৭ তাৰিখলৈ মহাবিদ্যালয়ত এক আকৰ্ষণীয় কাৰ্য্যসূচীৰে 'মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপন কৰা হয়। কাৰ্য্যসূচী অনুসৰি প্ৰথম দিনা পতাকা উত্তোলনেৰে মহাবিদ্যালয়ৰ উক্ত বাৰ্ষিক উৎসৱৰ শুভাৰম্ভ কৰা হয়। পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি মাননীয় শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱে। ইয়াৰ পিছত শ্বহীদ তৰ্পণ কৰে বকো অঞ্চলৰ

সাংস্কৃতিক সঞ্চালক তথা স্থানীয় নিবাসী মাননীয় শ্ৰীযুত কেশৱ চন্দ্ৰ ৰাভাদেৱে। কাৰ্যক্ৰমণিকা অনুসৰি উৎসৱৰ খেল-ধেমালি উদ্বোধন কৰে মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক মাননীয় শ্ৰীযুত দেবেন্দ্ৰ নাথ শৰ্মাদেৱে। খেল-ধেমালিৰ উপৰিও গীত, কুইজ, আকস্মিক বক্তৃতা, তৰ্ক, কবিতা আবৃত্তি আদি বিভিন্ন প্ৰতিযোগিতাসমূহ পতা হয়। শেষৰ দিনা মাননীয় ভাবপ্ৰাপ্ত অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত বহা বঁটা বিতৰণী সভাৰে উৎসৱৰ সামৰণি মৰা হয়। উক্ত বঁটা বিতৰণী তথা মুকলি সভাত বিশিষ্ট অতিথিৰূপে আসন গ্ৰহণ কৰে প্ৰাক্তন অধ্যাপক মাননীয় শ্ৰীযুত পাৰ্থ সাৰথি দত্ত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ ৰীডাৰ মাননীয় শ্ৰীযুত অৱনী কান্ত ভাগৱতীদেৱে। তেওঁলোকৰ সাৰুৱা ভাষণে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত আৰু অনুপ্ৰাণিত কৰে। এই ছেগতে মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ হৈ তেখেতসকললৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আন আন বছৰৰ দৰে এই বেলিও আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দই মিলি বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী আই বীণাপাণিৰ শ্ৰীচৰণত পুষ্পাৰ্ঘ নিবেদন কৰে। এইবেলিও মহাবিদ্যালয়ৰ বিভিন্ন শাখাৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ উদ্যোগত শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হয়। পূজা সমাপন কৰা কাৰ্যত মই সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীসকলৰ সহায়-সহযোগ আন্তৰিকতাৰে শলাগিছোঁ।

উল্লেখযোগ্য যে ১৯৯৬-৯৭ শিক্ষাবৰ্ষত আমাৰ মহাবিদ্যালয়ত নাম ভৰ্তি কৰা নবীন ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে আদৰণী জনাবলৈ যোৱা ১৬-৯-৯৭ইং তাৰিখে নৱাগত আদৰণি সভা বৰ উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়। দিনটোজোৱা কাৰ্য-সূচীৰে অনুষ্ঠিত হোৱা এই সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ ভাবপ্ৰাপ্ত অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি মাননীয় শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱে। সভাত মুখ্য অতিথিৰ আসন অলঙ্কৃত কৰে আমাৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা বকো সমষ্টিৰ স্থানীয় বিধায়ক মাননীয় শ্ৰীযুত জ্যোতিপ্ৰসাদ দাসদেৱে। বিশিষ্ট অতিথিৰূপে আসন গ্ৰহণ কৰে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মাননীয় শ্ৰীযুত শৰৎ চন্দ্ৰ ৰাভা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱকল্যাণ বিভাগৰ সঞ্চালক মাননীয় ড০ প্ৰবীণ কুমাৰ দাসদেৱে। তেখেতসকলে আমাৰ নিমন্ত্ৰণ ৰক্ষা কৰি সভাত উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰা বাবে আৰু তেওঁলোকৰ বহুমূলীয়া ভাষণেৰে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত আৰু অনুপ্ৰাণিত কৰা বাবে তেখেতসকললৈ আমাৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এইবেলি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা 'আন্তঃ মহাবিদ্যালয় ফুটবল টুৰ্ণামেণ্ট'ত আমাৰ মহাবিদ্যালয়ে যোগদান কৰাৰ সৌভাগ্য লাভ কৰে। এই টুৰ্ণামেণ্টত অংশগ্ৰহণ কৰা আমাৰ মহাবিদ্যালয়ৰ প্ৰতি গৰাকী খেলুৱৈলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ আৰু লগতে তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

মোৰ কাৰ্যকালছোৱাত বিভিন্ন সময়ত দেশৰ খ্যাতনামা ব্যক্তিসকলৰ মৃত্যুত শোকসভা পতা হয় আৰু সভাত বিদেহী আত্মাৰ চিৰ শান্তিৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰা হয়। এইখিনিতে উল্লেখ কৰিব পাৰে যে আমাৰ মহাবিদ্যালয়ৰ উচ্চবৰ্গৰ সহায়ক শ্ৰীকনক দাসৰ অকাল মৃত্যুত আমি সকলোৱে শোকত ম্ৰিয়মাণ হৈ পৰোঁ। তেখেতৰ মৃত্যুত আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দই শোকসভা পাতি গভীৰ শোক প্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

আমাৰ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ ৰসায়ন বিদ্যাৰ অধ্যাপক মাননীয় শ্ৰীযুত সমুদ্ৰ শৰ্মাই আমাৰ মহাবিদ্যালয়ৰপৰা বিদায় ল'ব লগা হয়। তেখেতক আনুষ্ঠানিকভাৱে বিদায় জনাবৰ নিমিত্তে মহাবিদ্যালয়ত যোৱা ১৩-১১-৯৭ ইং তাৰিখে এখন বিদায় সভা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ ভাবপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱৰ সভাপতিত্বত বহা

উক্ত সভাত তেখেতৰ গুণৰাজি আৰু মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ অগ্ৰগতিৰ ক্ষেত্ৰত তেখেতৰ সহায়-সহযোগ শ্ৰদ্ধাৰে স্মৰণ কৰা হয় আৰু লগতে তেখেতৰ উজ্জ্বল ভৱিষ্যত কামনা কৰা হয়।

উল্লেখযোগ্য যে বকো আঞ্চলিক ছাত্ৰ সন্থাৰ সৌজন্যত আমাৰ মহাবিদ্যালয়ৰ প্ৰৱেশদ্বাৰৰ কাষত নৱনিৰ্মিত 'যাত্ৰী জিৰণি কোঠা'টিৰ শুভ উদ্বোধন কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত বসন্ত কুমাৰ দত্তই যোৱা ২০-২-৯৭ তাৰিখ বৃহস্পতিবাৰে সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যাপ-অধ্যাপিকা আৰু সন্থাৰ বিষয়ববীয়া আৰু কৰ্মকৰ্ত্তাসকলৰ উপস্থিতিত।

এক আনন্দমুখৰ তথা গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত ভাবপ্ৰাপ্ত অধ্যক্ষদেৱে সন্থাৰ এনে গঠনমূলক আৰু সমাজহিতকৰ কামৰ শলাগ লয় আৰু ভৱিষ্যতে এনে কাম সন্থাই কৰিব বুলি আশা কৰি ব্যক্তিগতভাৱে আৰু মহাবিদ্যালয়ৰ তৰফৰপৰা সন্থাৰ কৰ্মকৰ্ত্তাসকললৈ অশেষ ধন্যবাদ জ্ঞাপন কৰে। লগতে নৱনিৰ্মিত 'যাত্ৰী জিৰণি কোঠা'টিয়ে সকলোৰে বহুদিনীয়া অভাৱ পূৰণ কৰিব বুলি দোহাৰি সন্থালৈ কৃতজ্ঞতা প্ৰকাশ কৰে।

শিক্ষানুষ্ঠান এখনত অভাৱ-অভিযোগ নথকা নহয়। আমাৰ মহাবিদ্যালয়ৰো অভাৱ-অভিযোগ আছে। সেয়ে মোৰ কাৰ্যকালছোৱাত কোনো ধৰণৰ অভাৱ-অভিযোগ নথকা বুলি মই ক'ব নোৱাৰোঁ। কিন্তু সেই অভাৱবোৰ উল্লেখ কৰি মোৰ প্ৰতিবেদনখন দীঘলীয়া কৰাৰ হাবিলাস মোৰ নাই যদিও কেইটামান মুখ্য অভাৱ সংক্ষেপে তলত উল্লেখ কৰিলোঁ-

(ক) ছাত্ৰ জিৰণি কোঠাৰ অভাৱ

(খ) আমাৰ মহাবিদ্যালয়ৰ পুথিভঁৰালত পঢ়া কোঠাৰ অভাৱ

(গ) ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুসাৰে চাইকেল ষ্টেণ্ডৰ ব্যৱস্থা নথকা

(ঘ) সকলো বিষয়তে মেজৰ নথকা। এইখিনিতে মই আমাৰ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ কৰোঁ যে উক্ত অভাৱ সমূহ কৰ্তৃপক্ষই সহানুভূতিশীল মনোভাৱেৰে আঁতৰ কৰিবলৈ চেষ্টা কৰে যেন। ছাত্ৰ-ছাত্ৰীয়ে অনুভৱ কৰা এই অভাৱসমূহ কৰ্তৃপক্ষই পাৰ্য্যয়ক্ৰমে পূৰণ কৰিব বুলি আশা কৰিলোঁ।

সাধাৰণ সম্পাদক হিচাপে মোৰ কাৰ্যকালছোৱাত মোক বিভিন্ন দিশত দিহা পৰামৰ্শ দি সহায় কৰা বাবে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি মাননীয় শ্ৰীযুত বসন্ত কুমাৰ দত্ত, উপ-সভাপতি শ্ৰীযুত মদন চন্দ্ৰ কাকতি আৰু মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ ওচৰত মই চিৰকৃতজ্ঞ। তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে ছাত্ৰ একতা সভাৰ সতীৰ্থসকল প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী-

পৰীক্ষিত, দুলু, মনোজ, পৱন, বৰ্ণালী, প্ৰদীপ, মীৰা, জগন্নাথ, কৰ্মেশ্বৰ, সনাতন, দ্বীপেন, সিদ্ধেশ্বৰ, স্নিগ্ধা, গৌতম, সুনীল, মদন, বিনীতা, ৰাতুল, লোকপ্ৰিয়, মাণিক, মুহিত, দ্বিপেন, মৃগেশ, উজ্জ্বল, মেঘালী, কৃপা, পলাশ, সোণমণি, বিপুল, হিৰণ্য, মম্পী, চাৰু আৰু গীতালীলৈ মোৰ কাম-কাজত সহায়-সহযোগ আগবঢ়োৱা বাবে আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। আনহাতে সকলো সময়তে মোলৈ সহায়-সহযোগ আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ কাৰ্য্যালয় সহায়কসকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌশেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি আৰু মোৰ এবছৰীয়া কাৰ্যকালছোৱাত মোৰ অজানিতে হৈ যোৱা কিবা ভুল-ক্ৰটিৰ বাবে ক্ষমা খুজি আৰু লগতে মহাবিদ্যালয়খনৰ উত্তোৰত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

ধন্যবাদেৰে-
শ্ৰীৰতন বৰুৱা
সাধাৰণ সম্পাদক,
ছাত্ৰ একতা সভা,
১৯৯৬-৯৭ ইং চন।



শ্রীনেপোলিয়ন ৰাভা

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে যিসকল বীৰ বীৰাঙ্গনাই নিজ মাতৃভূমিৰ অস্তিত্ব ৰক্ষাৰ কাৰণে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি বুকুৰ তেজেৰে আত্মবলিদান দি দেশমাতৃৰ বুকুৰ পৰা স্বৰ্গগামী হ'ল, সেইসকল নিঃস্বাৰ্থ শ্বহীদঁলৈ মোৰ অশ্রু-অঞ্জলি যাচিছোঁ ।

প্ৰতিবেদনৰ আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৬-৯৭ চনৰ 'ছাত্ৰ একতা সভা'ৰ সাধাৰণ নিৰ্বাচনত মোক বিপুল ভোটেৰে জয়যুক্ত কৰাই সহঃ সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিত কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

সহঃ সাধাৰণ সম্পাদক হিচাপে মোৰ ওচৰত অৰ্পণ কৰা দায়িত্বৰ প্ৰতি কাৰ্যভাৰ লোৱাৰ পিছৰপৰাই মই সচেতন হৈছিলোঁ । সেয়ে মোৰ কৰ্তব্য আৰু দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ মই চেষ্টাৰ ক্ৰটি কৰা নাছিলোঁ । অৱশ্যে মোৰ কৰ্তব্য পালনত মই কিমানখিনি কৃতকাৰ্য্যতা লাভ কৰিছোঁ, সেইটো ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ বিচাৰ্য ।

উল্লেখযোগ্য যে বিশেষ কাৰণবশত ঃ সাধাৰণ সম্পাদকৰ অনুপস্থিতিত মই জগতবৰেণ্য মহীয়সী নাৰী মাদাৰ টেৰেছাৰ মৃত্যুত আমাৰ মহাবিদ্যালয়ত তেওঁৰ আত্মাৰ চিৰশান্তিৰ অৰ্থে এখন শোক সভাৰ আয়োজন কৰোঁ । এই সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱে । সভাত ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাৰ উপস্থিতিত সভাপতি মহোদয় আৰু অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত দেবেন শৰ্মাদেৱে মাদাৰ টেৰেছাৰ বিষয়ে দু-আষাৰমান কয় । পিছত সভাই দুই মিনিট মৌনতা অৱলম্বন কৰি বিদেহী আত্মাৰ চিৰশান্তিৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় ।

আনবাৰৰ দৰে এইবেলিও আমাৰ মহাবিদ্যালয়ত শ্ৰীশ্ৰীসৰস্বতী পূজা পতা হয় । এই পূজাখন ভালদৰে চলাই নিয়াৰ দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰা হয় । পৰামৰ্শদাতা হিচাপে ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক মাননীয় শ্ৰীযুত নবীন চন্দ্ৰ মুদিয়াৰ থাকে । এই দায়িত্বত থাকি মই সকলোৰে সহায়-সহযোগত পূজাখন ভালদৰে সম্পন্ন কৰাত চেষ্টাৰ ক্ৰটি কৰা নাই । পূজাখন ভালদৰে সম্পন্ন হোৱাত মই ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু মাননীয়/মাননীয়া অধ্যাপক/অধ্যাপিকা সকলৈলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

সদৌশেষত মোৰ অজানিতে হৈ যোৱা কিবা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু আমাৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ ।

জয় আই অসম

ধন্যবাদেৰে

শ্ৰীনেপোলিয়ন ৰাভা,

সহঃ সাধাৰণ সম্পাদক,

ছাত্ৰ একতা সভা



শ্ৰীজগত চন্দ্ৰ চৌধুৰী

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

আৰম্ভণিতে ৰকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৬-৯৭ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে মই সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্বাচিত হোৱা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

কোনো এটা জাতিৰ প্ৰাণ হ'ল সেই জাতিটোৰ কৃষ্টি-সংস্কৃতি। এই কৃষ্টি-সংস্কৃতি নহ'লে জাতি জীয়াই থকা অসম্ভৱ। জাতিৰ পৰিচয় তাৰ কৃষ্টি-সংস্কৃতিৰ জৰিয়তে পাব পাৰি। মুঠতে নৃত্য-গীত, সুকুমাৰ কলা আদি জাতিৰ স্বাক্ষৰ বহনকাৰী প্ৰতীক। গতিকে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতি সচেতন হোৱা উচিত। ছাত্ৰাৱস্থাতে অধ্যয়নৰ উপৰিও তেওঁলোকে সঙ্গীত চৰ্চা কৰা আৱশ্যক।

আন আন বছৰৰদৰে এইবেলিও আমাৰ মহাবিদ্যালয়ত 'মহাবিদ্যালয় সপ্তাহ' পালন কৰা হয়। উক্ত 'মহাবিদ্যালয় সপ্তাহ'ত সাংস্কৃতিক বিভাগৰ ফালৰপৰা গীত-মাত, নৃত্য, একাঙ্কিকা নাট আদিৰ প্ৰতিযোগিতা পতা হয়। প্ৰতিযোগিতাসমূহত যোগদান কৰা প্ৰতিযোগীসকলৰ উৎসাহজনক সঁহাৰিয়ে প্ৰতিযোগিতাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। এইখিনিতে প্ৰতিযোগীসকললৈ মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে বিচাৰক মণ্ডলীয়ে উপস্থিত থাকি আমাৰ কাৰ্য-সূচী সুচাৰুৰূপে চলাই নিয়াত সহায় কৰা বাবে তেওঁলোকলৈও আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সাংস্কৃতিক বিভাগৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মই অভাৱ-অভিযোগৰ সম্মুখীন হ'বলগা হয়। বিশেষকৈ বাদ্যযন্ত্ৰৰ ক্ষেত্ৰত এই অভাৱ অনুভৱ কৰোঁ। প্ৰয়োজনমতে বাদ্যযন্ত্ৰ যথেষ্ট নাই। সেয়ে মোৰ কাৰ্যকালছোৱাত বিভাগটোৰ বাবে নতুনকৈ এখন উৎকৃষ্ট গীতাৰ আৰু এটা ডুগীৰ যোগান ধৰা হয়। কিন্তু বিভাগত থকা বাদ্যযন্ত্ৰসমূহ ভালদৰে ৰখা বাবে আচুতীয়াকৈ এটা আলমাৰীৰ নিতান্ত প্ৰয়োজন। উক্ত অভাৱখিনি আঁতৰাবলৈ মই কলেজ কৰ্তৃপক্ষক অনুৰোধ কৰিলোঁ।

মোৰ কাৰ্যকালছোৱাত বিভাগীয় কাম-কাজত সকলো প্ৰকাৰে দিহা পৰামৰ্শ দি মোক সহায় কৰা বাবে ছাত্ৰ একতা সভাৰ সভাপতি মাননীয় শ্ৰীযুত বসন্ত কুমাৰ দত্ত আৰু সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত কমলেশ্বৰ ঠাকুৰীয়াৰ ওচৰত মই চিৰকৃতজ্ঞ। আনহাতে মোৰ কাম-কাজৰ বিভিন্ন দিশত মোক সহায় কৰা বাবে বন্ধু মহেন্দ্ৰ, মণ্টু, বিপুল, দ্বিজেন, ছাত্ৰী বান্ধৱী পাৰুল, দুলুমণি, বন্তিশিখা, বিভা, ৰবীতা বাইদেউ আৰু কামিনী, মীনা- এওঁলোক সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌশেষত মোৰ জ্ঞাত বা অজ্ঞাতে হৈ যোৱা কিবা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা খুজি আৰু আমাৰ এই মহান শিক্ষানুষ্ঠানখনৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

ধন্যবাদেৰে
শ্ৰীজগত চন্দ্ৰ চৌধুৰী,
সম্পাদক,
সাংস্কৃতিক বিভাগ



শ্ৰীআনন্দ বাণা

# 'তৰ্ক আৰু আলোচনা চক্ৰ'ৰ সম্পাদকৰ প্ৰতিবেদন

আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৬-৯৭ চনৰ ছাত্ৰ একতা সভাৰ 'তৰ্ক আৰু আলোচনা চক্ৰ'ৰ সম্পাদকৰ পদত মোক অধিষ্ঠিত কৰি মহান শিক্ষানুষ্ঠানটিলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়া বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ।

বৰ্তমানৰ যুগটো হৈছে প্ৰতিযোগিতাৰ যুগ। এই প্ৰতিযোগিতাৰ যুগত ছাত্ৰ-ছাত্ৰীসকলে পুথিগত বিদ্যাৰ উপৰিও আন বিষয়সমূহতো পাৰদৰ্শিতা দেখুৱাব লাগিব। কেৱল পুথিগত বিদ্যাবে আজিৰ এই যুগত কোনো কামতে সফলতাৰে আগবাঢ়িব পৰা নাযায়। জ্ঞান আহৰণৰ আন আন দিশতো ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয় অংশগ্ৰহণ কৰা উচিত। তেতিয়াহে তেওঁলোকৰ শিক্ষা পূৰ্ণাঙ্গপ্ৰাপ্ত হোৱা বুলি ক'ব পাৰি আৰু তেওঁলোকে নিজক সু-নাগৰিক কৰি গঢ়ি তুলিব পাৰিব।

কোৱা বাহুল্য যে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰত্যেকৰে এক বিশেষ গুণ বা স্বকীয় প্ৰতিভা নথকা নহয়। কিন্তু সুযোগ আৰু অনুশীলনৰ অভাৱত তেওঁলোকৰ প্ৰত্যেকৰে সুপ্ত প্ৰতিভা বিকাশ লাভ কৰিব নোৱাৰে। সেয়ে শিক্ষানুষ্ঠান এখনে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশ লাভ কৰোৱাত সুবিধা আগবঢ়ায় বিভিন্ন প্ৰতিযোগিতাৰ মাধ্যমেদি। মহাবিদ্যালয় এখনে প্ৰতিবছৰে পালন কৰা 'মহাবিদ্যালয় সপ্তাহ'ত পতা বিভিন্ন প্ৰতিযোগিতাৰ যোগেদি তেনে সুবিধা ছাত্ৰ-ছাত্ৰীসকললৈ আগবঢ়ায়। সেয়ে তেওঁলোকে এই প্ৰতিযোগিতাসমূহত সক্ৰিয় অংশগ্ৰহণ কৰা উচিত।

তৰ্ক, বক্তৃতা, কুইজ আদি প্ৰতিযোগিতাসমূহ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশ লাভ কৰাৰ সুবিধাৰ অন্যতম মাধ্যম। এই প্ৰতিযোগিতাসমূহতো তেওঁলোকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা উচিত। তেওঁলোকৰ মানসিক উৎকৰ্ষ সাধন কৰাটো এই প্ৰতিযোগিতাসমূহে যথেষ্ট অৰিহণা যোগায়। আশাকৰোঁ, ছাত্ৰ-ছাত্ৰীসকলে এনে সুযোগ ল'বলৈ আগবাঢ়ি আহিব। কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছত আমাৰ মহাবিদ্যালয়ত 'মহাবিদ্যালয় সপ্তাহ' বৰ উলহ-মালহেৰে অনুষ্ঠিত হয়। 'মহাবিদ্যালয় সপ্তাহ'ত আমাৰ 'তৰ্ক আৰু আলোচনা চক্ৰৰ' বিভাগৰ দ্বাৰা তৰ্ক, আকস্মিক বক্তৃতা, কবিতা আবৃত্তি, কুইজ আদিৰ এলানি প্ৰতিযোগিতা পতা হয়। কিন্তু পৰিতাপৰ বিষয় এয়ে যে প্ৰতিযোগিতাসমূহত অংশগ্ৰহণকাৰীৰ সংখ্যা নিচেই কম আছিল। অৱশ্যে কবিতা আবৃত্তি আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা সন্তোষজনক আছিল। যি হওক ভৱিষ্যতে উক্ত প্ৰতিযোগিতাসমূহত সৰহ সংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব বুলি আশা কৰোঁ। মন কৰিবলগীয়া এয়ে যে পুৰস্কাৰ পোৱাতকৈ অংশগ্ৰহণ কৰাটোহে বেছি দৰকাৰী কথা। প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰা সকলো প্ৰতিযোগীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কৰ্তব্য আৰু দায়িত্ব পালনত মই কিমানখিনি সফলতা অৰ্জন কৰিছোঁ সেইটো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ বিচাৰ্য । অৱশ্যে এইটো ঠিক যে কোনো দিশতে মই মোৰ চেষ্টাৰ ত্ৰুটি কৰা নাই । বিভাগীয় সম্পাদকৰ গুৰু দায়িত্ব বহন কৰা ক্ষেত্ৰত মোক সকলোপ্ৰকাৰে দিহা-পৰামৰ্শ দি সহায় কৰা বাবে বিভাগটোৰ তত্ত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত লক্ষীকান্ত শৰ্মাদেৱৰ ওচৰত মই চিৰকৃতজ্ঞ । আনহাতে মোৰ কাম-কাজত প্ৰত্যক্ষ বা পৰোক্ষভাৱে মোলৈ সহায়-সহযোগ আগবঢ়োৱা বাবে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী বিশেষকৈ মাণিক, জিতু, সুশীল, বশিষ্ট আৰু প্ৰশান্ত লৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ । লগতে বিভিন্ন দিশত দিহা-পৰামৰ্শ দি সহায় কৰা বাবে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত বসন্ত কুমাৰ দত্ত আৰু অধ্যাপক-অধ্যাপিকাসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

সদৌশেষত মোৰ কাৰ্য্যকালছোৱাত মোৰ কৰ্তব্য আৰু দায়িত্ব পালনত অজানিতে হৈ যোৱা কিবা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু আমাৰ এই মহান শিক্ষানুষ্ঠানখনৰ শ্ৰীবৃদ্ধি কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ ।


'জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়'

ধন্যবাদেৰে

শ্ৰীআনন্দ বাগ্‌া,

সম্পাদক,

'তৰ্ক আৰু আলোচনা চক্ৰ'



শ্রীপ্রশান্ত কলিতা

# ক্রীড়া সম্পাদকৰ প্রতিবেদন

প্রতিবেদনৰ আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৬-৯৭ চনৰ ছাত্র একতা সভাৰ সাধাৰণ নির্বাচনত মোক ক্রীড়া সম্পাদক হিচাপে বিপুল ভোটেৰে জয়যুক্ত কৰাই সম্পাদকৰ গুৰু দায়িত্ব বহণ কৰাৰ সুবিধাকণ দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্র-ছাত্রী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ক্রীড়া সম্পাদকৰ কার্যভাৰ গ্রহণ কৰাৰ পিছত মই মোৰ নিজ কর্তব্য আৰু দায়িত্বৰ প্রতি সচেতন হওঁ। উল্লেখযোগ্য যে আন আন বছৰৰ দৰে এইবেলিও আমাৰ মহাবিদ্যালয়ৰ বার্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ' বৰ উলহ-মালহেৰে পালন কৰা হয়। এই 'মহাবিদ্যালয় সপ্তাহ'ত ক্রীড়া বিভাগৰ ফালৰপৰা ভালেকেইটা প্রতিযোগিতা অনুষ্ঠিত কৰা হয়। প্রতিযোগিতাসমূহত অধিকসংখ্যক প্রতিযোগীয়েই অংশগ্রহণ কৰিছিল। তেওঁলোকৰ মাজত যথেষ্ট উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছিল। দুজনমান খেলুৱৈয়ে অতি উচ্চ মানৰ খেল প্রদর্শন কৰাত সকলোৰে দৃষ্টি আকর্ষণ কৰিবলৈ সক্ষম হৈছিল। ক্রীড়াৰ ক্ষেত্রত যথোচিত সুবিধা নোপোৱা আমাৰ এই মহাবিদ্যালৰ ছাত্র-ছাত্রীয়ে প্রদর্শন কৰা খেলৰ মানৰপৰা এইটো আশা কৰিব পাৰি যে ভৱিষ্যতে উপযুক্ত প্রশিক্ষণ আৰু সা-সুবিধা পালে তেওঁলোকৰ মাজৰপৰা কৃতী খেলুৱৈ ওলাব। বঁটা বিজয়ীকে ধৰি সকলো প্রতিযোগীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

বিভাগীয় সম্পাদকৰ অভিজ্ঞতাৰপৰা মই কওঁ যে 'মহাবিদ্যালয় সপ্তাহ'ৰ দিনকেইটাৰ বাহিৰে আন দিনবোৰত ছাত্র-ছাত্রীসকলে খেল-ধেমালিৰ চর্চা নকৰে বা তাৰ যথোচিত সুবিধা নাপায়। সেয়ে মই আশা কৰোঁ যে ভৱিষ্যতে ছাত্র-ছাত্রীসকলে খেল-ধেমালিৰ চর্চা কৰিব আৰু খেলৰ যথোচিত সুবিধা কর্তৃপক্ষই তেওঁলোকলৈ আগবঢ়াব। পৰৱর্তী সম্পাদকসকলে এই দিশত মনোযোগ দিব বুলি মই আশা কৰোঁ।

মোৰ কার্যকালছোৱাত মোৰ কাম সুচাৰুৰূপে চলাই নিয়াত দিহা-পৰামর্শ দি মোক সকলো প্রকাৰে সহায় কৰা বাবে তত্ত্বাৱধায়ক অধ্যাপক মাননীয় শ্রীযুত দ্বিজেন দাসলৈ মোৰ পৰম শ্রদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আনহাতে বিভিন্ন দিশত মোলৈ সহায়-পৰামর্শ আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ ভাৰপ্রাপ্ত অধ্যক্ষ মাননীয় শ্রীযুত বসন্ত কুমাৰ দত্ত আৰু অধ্যাপক মাননীয় শ্রীযুত মদন চন্দ্র কাকতি দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোৰ সকলো কামতে প্রত্যক্ষ বা পৰোক্ষভাৱে সহায়-সহযোগ আগবঢ়োৱা বাবে মাণিক, ইন্দ্রজিৎ, বিশ্বজিৎ, হৰমোহন, সত্যজিৎ, বিভূতি, সুণীতা, শেৱালি, জৱা আৰু ইৱাৰ ওচৰত মই চিৰকৃতজ্ঞ। তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

অৱশেষত সকলোৰে ওচৰত মোৰ জ্ঞাত-অজ্ঞাত ভুল-ক্রটিৰ বাবে ক্ষমা বিচাৰি আৰু আমাৰ মহাবিদ্যালয়ৰ আশু উন্নতি কামনা কৰি মোৰ প্রতিবেদন ইমানতে সামৰিলোঁ।

'জয় আই অসম'
শ্রীপ্রশান্ত কলিতা,
ক্রীড়া সম্পাদক



শ্ৰীজিতু মহন্ত

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৬-৯৭ চনৰ 'ছাত্ৰ একতা সভা'ৰ সাধাৰণ নিৰ্বাচনত মোক নিৰ্বাচিত কৰি খেল বিভাগৰ সম্পাদকৰ পদত অধিষ্ঠিত কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ব্যক্তি এজন শাৰীৰিক, মানসিক, বৌদ্ধিক আদি সকলো দিশতে বিকশিত হ'বলৈ হ'লে তেওঁৰ শিক্ষা আহৰণৰ লগতে খেল-ধেমালিৰো নিতান্ত প্ৰয়োজন। খেল-ধেমালিৰে জৰিয়তে ব্যক্তিৰ শাৰীৰিক উৎকৰ্ষ সাধনৰ লগতে মানসিক উৎকৰ্ষ সাধনো হয়। ইয়াৰ উপৰি খেল-ধেমালিয়ে খেলুৱৈসকলৰ মনত বন্ধুত্ব আৰু ভাতৃত্ব ভাব সুদৃঢ় কৰাৰ লগতে সকলোৰে মাজত মিলা-প্ৰীতিৰ ভাব আৰু শৃংখলা বজাই ৰখাত সহায় কৰে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে নিজক কেৱল পাঠ্যক্ৰমৰ মাজতে আৱদ্ধ কৰি নাৰাখি খেল-ধেমালিতো সক্ৰিয় অংশগ্ৰহণ কৰি পাৰদৰ্শিতা দেখুৱা উচিত। কোৱা বাহুল্য যে আজিৰ যুগত ছাত্ৰ-ছাত্ৰীসকলে খেল-ধেমালিত যোগদান কৰি নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি ভৱিষ্যতে দেশৰ সু-নাগৰিক হিচাপে আত্ম প্ৰতিষ্ঠা লাভ কৰিব পাৰে। আশা কৰোঁ, আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এনে মানসিকতাৰে ভৱিষ্যতে খেল-ধেমালিসমূহত সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিব।

এইবেলিও যথাসময়ত আমাৰ মহাবিদ্যালয়ত বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ' বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। খেল বিভাগৰ তৰফৰপৰা ক্ৰিকেট, ভলীবল আৰু কাবাদী খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কিন্তু পৰিতাপৰ বিষয় এয়ে যে কাবাদী প্ৰতিযোগিতাত কোনো দলে যোগদান কৰা নাছিল। অৱশ্যে ক্ৰিকেট আৰু ভলীবল প্ৰতিযোগিতাত যোগদান কৰা দলকেইটাই আশানুৰূপ খেল প্ৰদৰ্শন কৰি যোগ্যতাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। তেওঁলোক সকলোলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালছোৱাত আমাৰ মহাবিদ্যালয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আভিযান্ত্ৰিক মহাবিদ্যালয়ত অনুষ্ঠিত 'আন্তঃ মহাবিদ্যালয় ফুটবল টুৰ্ণামেণ্ট'ত যোগদান কৰাৰ সুযোগ পায়। উক্ত ফুটবল প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে অনুশীলনৰ অভাৱত বিশেষ পাৰদৰ্শিতা দেখুৱাব নোৱাৰিলে। সেয়ে ছেমি ফাইনেলত আমাৰ মহাবিদ্যালয়ে বি, বৰুৱা মহাবিদ্যালয়ৰ হাতত পৰাস্ত হৈ বিদায় লব লগা হয়। আশাকৰোঁ, ভৱিষ্যতে আমাৰ মহাবিদ্যালয়ৰপৰা যোগদান কৰা ফুটবল খেলুৱৈসকলে উপযুক্ত অনুশীলনেৰে এনে প্ৰতিযোগিতাত পাৰদৰ্শিতা দেখুৱাই মহাবিদ্যালয়ৰ সুনাম কঢ়িয়াই আনিব। মুঠতে আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে অনুৰোধ কৰোঁ যে তেওঁলোকে যেন খেলা-ধূলাৰ প্ৰতি বিশেষ মনোযোগী আৰু আগ্ৰহী হয়।

মোৰ কাৰ্যকালছোৱাত মোক সকলো দিশৰপৰা দিহা-পৰামৰ্শ দি সহায় কৰা বাবে খেল বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত অৱনী

দাসলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আনহাতে বিভিন্ন দিশত মোক দিহা-পৰামৰ্শ দি সহায় কৰা বাবে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত বসন্ত কুমাৰ দত্ত, অধ্যাপক মাননীয় শ্ৰীযুত মদন চন্দ্ৰ কাকতি আৰু শ্ৰীযুত অতনু হাজৰিকালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে সকলো ক্ষেত্ৰতে মোলৈ সহায়-সহযোগ আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য-সদস্যাৰ উপৰিও সুনীল, প্ৰণৱ, আনন্দ, হেমন্ত, বিপুল, অৰূপ, পৰীক্ষিত, মণিকূট, ৰঞ্জিৎ আৰু সঞ্জীৱলৈ মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌশেষত মোৰ কৰ্তব্য পালনত মোৰ অজানিতে হৈ যোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা খুজি আৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ধন্যবাদেৰে

শ্ৰীজিতু মহন্ত,
সম্পাদক,
খেল বিভাগ



শ্ৰীপ্ৰণৱজ্যোতি ৰাভা

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৬-৯৭ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোৰ প্ৰতি আস্থা ৰাখি মোক 'ছাত্ৰ জিৰণি কোঠা'ৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ ।

বিগত বছৰবোৰৰ দৰে এইবেলিও আমাৰ মহাবিদ্যালয়ত 'মহাবিদ্যালয় সপ্তাহ' বৰ উলহ-মালহেৰে পালন কৰা হয় । এই 'মহাবিদ্যালয় সপ্তাহ'ত ছাত্ৰ জিৰণি কোঠাৰ ফালৰপৰা কেৰম, বেড্‌মিণ্টন আদি বিভিন্ন খেলৰ প্ৰতিযোগিতা পতা হয় । সম্পাদক হিচাপে খেলসমূহ চলাই নিয়াত যদিও প্ৰথমতে মই অলপ অসুবিধাৰ সন্মুখীন হৈছিলোঁ, তথাপি মোৰ ছাত্ৰ বন্ধু ৰোহিত, উৎপল, বিবিঞ্চি, সঞ্জীৱ আৰু দানৱেন্দ্ৰৰ সহায়-সহযোগিতাত অসুবিধাখিনি আঁতৰ হৈছিল আৰু খেলসমূহ ভালদৰে চলাই নিয়াত মই সমৰ্থ হৈছিলোঁ । সিহঁতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ । প্ৰতিযোগিতাত প্ৰতিযোগীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল । বঁটা বিতৰণী সভাত শ্ৰেষ্ঠ প্ৰতিযোগীসকললৈ বঁটা প্ৰদান কৰি তেওঁলোকক পুৰস্কৃত কৰা হয় । আশাকৰোঁ, ভৱিষ্যতে আৰু অধিক সংখ্যক প্ৰতিযোগীয়ে খেলসমূহত অংশগ্ৰহণ কৰি নিজ নিজ পাৰদৰ্শিতা দেখুৱাবলৈ সমৰ্থ হ'ব আৰু আন্তঃ মহাবিদ্যালয় খেলসমূহৰ প্ৰতিযোগিতাত কৃতিত্ব অৰ্জন কৰিব পাৰিব ।

মোৰ অভিজ্ঞতাৰ ফালৰপৰা মই ক'ব খোজো যে প্ৰতিবছৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পোৱাৰ ফলস্বৰূপে খেলুৱৈৰ সংখ্যাও বৃদ্ধি পায়; কিন্তু সেই অনুপাতে খেলৰ সামগ্ৰীসমূহৰ সংখ্যা অতি কম । সেইকাৰণে ছাত্ৰ-ছাত্ৰীসকলে অনুশীলন কৰাৰ সুবিধাৰপৰা বঞ্চিত হ'ব লগা হয় । সেয়েহে খেলৰ সামগ্ৰীসমূহৰ সংখ্যা বৃদ্ধি কৰিবলৈ মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক ইয়াৰে অনুৰোধ কৰিলোঁ ।

মোৰ কাৰ্যকালছোৱাত মোক সকলো ফালৰপৰা দিহা পৰামৰ্শ দি সহায় কৰা বাবে ছাত্ৰ জিৰণি কোঠাৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত নবীন চন্দ্ৰ মুদিয়াৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ । লগতে কাৰ্যকৰী সমিতিৰ সমূহ সদস্য-সদস্যা আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ তেওঁলোকৰ সহায়-সহযোগৰ কাৰণে মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ থাকিল ।

সৰ্বশেষত মোৰ অজানিতে হোৱা কিবা ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ ।

ধন্যবাদেৰে-
শ্ৰীপ্ৰণৱজ্যোতি ৰাভা,
সম্পাদক, ছাত্ৰ জিৰণি কোঠা ।



মিচ্ তাহিৰা বেগম

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে ১৯৯৬-৯৭ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক 'ছাত্ৰী জিৰণি কোঠা'ৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৈলে সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মই মোৰ কৰ্তব্য আৰু দায়িত্বৰ প্ৰতি সচেতন হৈ পৰোঁ। এই সচেতনতাৰ কাৰণে মই মোৰ সকলো কাম নিয়াৰিকৈ পালন কৰাত চেষ্টাৰ ত্ৰুটি কৰা নাই বুলি মই ভাবোঁ। অৱশ্যে মই মোৰ কৰ্তব্য আৰু দায়িত্ব পালনত কিমানখিনি সফলতা অৰ্জন কৰিছোঁ সেইটো সকলোৰে বিচাৰ্য।

সম্পাদিকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত ছাত্ৰী জিৰণি কোঠাটোৰ কিছু অসুবিধা মই অনুভৱ কৰোঁ। প্ৰথমতে ক'ব লাগিব যে মহাবিদ্যালয়ত প্ৰতি বছৰে বাঢ়ি অহা ছাত্ৰীৰ সংখ্যাৰ তুলনাত ছাত্ৰী জিৰণি কোঠাটো বৰ সৰু আৰু ঠেক। ইয়াত থকা ডেক্স্-বেঞ্চৰ সংখ্যাও নিচেই কম। ফলস্বৰূপে অধিক সংখ্যক ছাত্ৰীয়ে বাৰান্দাতে থিয় হৈ থাকিব লগা হয়। গতিকে ছাত্ৰী জিৰণি কোঠাটো আহল-বহল হোৱা অতি দৰকাৰ। লগতে বহাৰ কাৰণে যথেষ্ট সুবিধা আগবঢ়াব লাগে। আশাকৰোঁ কৰ্তৃপক্ষই উক্ত অসুবিধাখিনি আঁতৰ কৰিবলৈ যত্ন কৰিব।

'মহাবিদ্যালয় সপ্তাহ'ত ছাত্ৰী জিৰণি কোঠাৰ ফালৰপৰা বেড্মিণ্টন, কেৰম, দবা, পাঞ্জা, পৰম্পৰাগত সাজপাৰ আদিৰ প্ৰতিযোগিতা পতা হয়। কিন্তু পৰিতাপৰ বিষয় এয়ে যে উক্ত বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যা সন্তোষজনক নাছিল। যি হওক, প্ৰতিযোগীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আশাকৰোঁ ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীসকলে বৰ উৎসাহ আৰু উদ্দীপনাৰে খেলসমূহত অংশগ্ৰহণ কৰি সুনাম অৰ্জন কৰিবলৈ চেষ্টা কৰিব।

মোৰ কাৰ্যকালছোৱাত মোক মোৰ কৰ্তব্য আৰু দায়িত্ব পালনত সকলো প্ৰকাৰে দিহা পৰামৰ্শ দি সহায় কৰা বাবে ভাৰপ্ৰাপ্ত অধ্যাপিকা মাননীয়া শ্ৰীযুতা জয়শ্ৰী ভূঞা বাইদেউলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আনহাতে বিভিন্ন দিশত দিহা পৰামৰ্শ দি মোক সহায় কৰা বাবে অধ্যাপক মাননীয় শ্ৰীযুত লক্ষীকান্ত শৰ্মা, শ্ৰীযুত মজিবুৰ ৰহমান, শ্ৰীযুত ধীৰাজ দাস, অধ্যাপিকা মাননীয়া শ্ৰীযুতা ৰমিতা ফুকন আৰু শ্ৰীযুতা ক্ষীৰোদা মালীলৈ মই মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোৰ কাম-কাজৰ প্ৰতিটো দিশতে


মৌলৈ সহায়-সহযোগ আগবঢ়োৱা বাবে পূর্ণিমা, মীৰা, মামনি, ভাইটি আব্দুল, ভণ্টী আবিদা, মুকুট, বিপুল, ৰাজু, নলিনী, মনোজ, মলয়া, মিনাক্ষী, স্বৰ্ণালী, হাছিনা, মঞ্জু, জিতুমণি, ছাহজাহান, বশিষ্ঠ, দ্বীপেন, সৰযু, ইলা আৰু নিতুমণিৰ ওচৰত মই চিৰকৃতজ্ঞ। আনহাতে একতা সভাৰ সমূহ সদস্য/সদস্যালৈও মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ ।

পৰিশেষত মোৰ কাৰ্যকালছোৱাত মোৰ অজানিতে হোৱা কিবা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু আমাৰ মহাবিদালয়ৰ উত্তোৰত্তৰ শ্ৰীবৃদ্ধি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ ।

ধন্যবাদেৰে-

**মিচ্ তাহিৰা বেগম,**

সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা



শ্ৰীৰবিন চন্দ্ৰ কুমাৰ

# সমাজ সেৱাৰ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৬-৯৭ চনৰ ছাত্ৰ একতা সভাৰ 'সমাজ সেৱা'ৰ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ বিভাগীয় প্ৰতিবেদনৰ পাতনি মেলাৰ আগতে সমাজ সেৱাৰ বিষয়ে দুষাৰমান কোৱা ভাল হ'ব। সমাজসেৱা হ'ল দেশসেৱা। দেশৰ প্ৰতিগৰাকীৰ সমাজ সেৱা বা দেশ সেৱাৰ মনোভাৱ থকা উচিত। এনে সেৱাৰ মাজেৰে বিভিন্ন জাতি-সম্প্ৰদায়ৰ মাজত মিলা-প্ৰীতি স্থাপন কৰিব পাৰি। আনহাতে এনে সেৱাই ঐক্যৰ এনাজৰীডাল সুদৃঢ় কৰাত সহায় কৰে। সেয়ে সমাজ বা দেশ সেৱা কৰা এটা মহৎ কাম। ছাত্ৰ-ছাত্ৰীসকলে এনে মহৎ কাম কৰিবলৈ আগবাঢ়ি অহা উচিত।

সমাজ সেৱাৰ সম্পাদকৰ কাৰ্যভাৱ গ্ৰহণ কৰাৰ কিছুদিন পিছত মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে দুদিন ছাফাই কামৰ প্ৰতিযোগিতা পতা হয়। এই প্ৰতিযোগিতাত নিষ্ঠা আৰু সেৱাৰ মনোভাৱ দেখুৱাবলৈ সমৰ্থ হোৱা ত্ৰিশ গৰাকী ছাত্ৰ-ছাত্ৰীক বছৰৰ শ্ৰেষ্ঠ সমাজ সেৱক-সেৱিকা বুলি বিবেচিত কৰা হয় আৰু তেওঁলোকক পুৰস্কৃত কৰা হয়।

মোৰ কাৰ্যকালছোৱাত মই অনুভৱ কৰা অভাৱৰ কথা উল্লেখ কৰিলোঁ। মহাবিদ্যালয়ৰ চৌহদত ছাত্ৰ-ছাত্ৰীসকলে বিশুদ্ধ পানী খোৱা বা ব্যৱহাৰ কৰাৰ বাবে টিউবৱেলৰ অভাৱ। মহাবিদ্যালয়লৈ চাইকেলেৰে অহা ছাত্ৰ-ছাত্ৰীসকলৰ চাইকেল ৰাখিবৰ কাৰণে 'চাইকেল ষ্টেণ্ড' নাই। আশাকৰোঁ পৰৱৰ্ত্তী বিষয়ববীয়াই এই অভাৱসমূহ আঁতৰ কৰিবৰ কাৰণে কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিব।

বিভাগীয় সম্পাদকৰ দায়িত্ব পালন কৰাত মোক সকলো দিশৰপৰা দিহা পৰামৰ্শ দি সহায় কৰা বাবে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত বসন্ত কুমাৰ দত্ত, তত্ত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত ধৰ্মকান্ত বৰুৱা আৰু অধ্যাপক মাননীয় শ্ৰীযুত নবীন চন্দ্ৰ মুদিয়াৰৰ ওচৰত মই চিৰকৃতজ্ঞ। তেখেতসকললৈ মোৰ পৰম শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আনহাতে বিভাগীয় কাম-কাজৰ বিভিন্ন দিশত মোলৈ সহায়-সহযোগ আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্য/সদস্যা প্ৰমুখ্যে পংকজ, পলাস, ৰূপম, সঞ্জয়, ৰাজীৱ, লোকপ্ৰিয়, ভাইকণ, মিণ্টু, ইছমাইল, আলাউদ্দিন, অঞ্জু (মম্পী) মীৰা, বৰ্ণালী, দুলু, ৰূপৰেখা আৰু ছায়ামৰ্ণিলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌশেষত মোৰ অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা খুজি আৰু আমাৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে-

**শ্ৰীৰবিন চন্দ্ৰ কুমাৰ,**

সম্পাদক, সমাজ সেৱা বিভাগ

# ১৯৯৬-৯৭ চনৰ 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে পতা বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলসমূহ

<u>খেল-ধেমালি (ল'ৰাৰ)</u>

*১০০ মিটাৰ দৌৰ ঃ*

১ম— মৈলাশ ৰাভা (উঃ মাঃ ১ম)
২য়— শংকৰ ৰাভা (স্না ঃ ১ম)
মজেন ৰাভা (উঃ মাঃ ১ম)

*২০০ মিটাৰ দৌৰ ঃ*

১ম— দীপক ৰাভা (উঃ মাঃ ১ম)
২য়— মৈলাশ ৰাভা (উঃ মাঃ ১ম)

*৪০০ মিটাৰ দৌৰ ঃ*

১ম— দীপক ৰাভা (উঃ মাঃ ১ম)
২য়— সুবৰ্ণ ৰাভা (স্নাঃ ১ম)

*৮০০ মিটাৰ দৌৰ ঃ*

১ম— মজেন ৰাভা (উঃ মাঃ ১ম)
২য়— দীপক ৰাভা (উঃ মাঃ ১ম)
শংকৰ কলিতা (স্নাঃ ২য়)
৩য়— বিৰাজ কুমাৰ ৰাভা (উঃ মাঃ ২য়)

*১৫০০ মিটাৰ দৌৰ ঃ*

১ম— মজেন ৰাভা (উঃ মাঃ ১ম)
২য়— শংকৰ কলিতা (স্নাঃ ২য়)
৩য়— ধীৰাজ কুমাৰ ৰাভা (উঃ মাঃ ২য়)
দধি মোহন মেধি (উঃ মাঃ ১ম)

লং জাম্পঃ

১ম— ৰাজমোহন ৰাভা (উঃমাঃ ১ম)
২য়— মৈলাশ ৰাভা (উঃ মাঃ ১ম)

হাই জাম্পঃ

১ম— বীৰেণ কলিতা (স্নাঃ ২য়)
২য়— প্ৰণৱ কুমাৰ দাস (স্নাঃ ২য়)

ত্ৰিপুল জাম্পঃ

১ম— বীৰেণ কলিতা (স্নাঃ ২য়)
২য়— মৈলাশ ৰাভা (উঃ মাঃ ১ম)

ছট্‌পুটঃ

১ম— সুবৰ্ণ ৰাভা (স্নাঃ ১ম)
২য়— নন্দেশ্বৰ বড়ো (স্নাঃ ১ম)

জেভেলিন থ্ৰঃ

১ম— সুবৰ্ণ ৰাভা (স্নাঃ ১ম)
২য়— মৈলাশ ৰাভা (উঃ মাঃ ১ম)

ডিচ্‌কাচ্ থ্ৰঃ

১ম— নন্দেশ্বৰ বড়ো (স্নাঃ ১ম)
২য়— সুবৰ্ণ ৰাভা (স্নাঃ ১ম)

স্লো চাইকেল ৰেচঃ

১ম— বিভূতি কলিতা (স্নাঃ ২য়)
২য়— মনোজ বড়ো (স্নাঃ ১ম)

বিলেৰেচ (১০০X৪) ঃ

১ম— প্ৰশান্ত কলিতা (স্নাঃ ১ম)
দীপক ৰাভা (উঃ মাঃ ১ম)
মৈলাশ ৰাভা (উঃ মাঃ ১ম)
মণিজ্যোতি স্বৰ্গীয়াৰী (উঃ মাঃ ১ম)
২য়— আয়েজ আলী (স্নাঃ ২য়)
মৃণাল পাটোৱাৰী (স্নাঃ ৩য়)
বিৰিঞ্চি পাঠক (স্নাঃ ২য়)
মোজাম্মিল হক (উঃ মাঃ ১ম)

ক্ৰিকেট ঃ

বিজয়ী দল— স্নাঃ ২য় আৰু ৩য় বাৰ্ষিক
সুনীল দে (দলপতি) (স্নাঃ ২য়)
মণিকূট বায়ন (স্নাঃ ৩য়)
সত্যজিৎ তালুকদাৰ (স্নাঃ ২য়)
বিপুল দাস (স্নাঃ ৩য়)
প্ৰণয় খাখলাৰী (স্নাঃ ৩য়)
সঞ্জীৱ দাস (স্নাঃ ২য়)
অনন্ত দাস (স্নাঃ ২য়)

বিবিঞ্চি পাঠক (স্নাঃ ৩য়)
বিজয়কৃষ্ণ কলিতা (স্নাঃ ২য়)
ৰজিত বড়ো (স্নাঃ ৩য়)
আয়েজ আলী (স্নাঃ ২য়)
হামিদ আলী (স্নাঃ ৩য়)

বিজিত দল— স্নাঃ ১ম বাৰ্ষিক

জিতু মহন্ত (দলপতি)
টিংকু চৰকাৰ
বাবুল বড়ো
গণেশ ৰাভা
প্ৰদীপ দাস
আনন্দ ৰানা
কুলেন বৰকাকতি
মনোজ কুমাৰ ৰাভা
উজ্জ্বল চৌধুৰী
মৃগেন গগৈ
নেপোলিয়ন ৰাভা
প্ৰশান্ত কলিতা

ভলী বল ঃ

বিজয়ী দল— স্নাঃ ৩য় বাৰ্ষিক

মণিকূট বায়ন (অধিনায়ক)
ৰজিত বড়ো
হামিদ আলী
সঞ্জীৱ শৰ্মা
অমিতাভ বৰা
উপেন
ভৱানী বড়ো
সুভাষ গয়াৰী
মৃণাল বড়ো

বিজিত দল— উঃ মাঃ ১ম

মৈলাশ ৰাভা
বাবুল ৰাভা
শ্যাম বড়ো
কনক ৰাভা
সঞ্জয় বসুমতাৰী

আজিজুৰ হক
জ্যোতিষ বড়ো
প্ৰশান্ত দাস

**Man of the Match**

মণিকূট বায়ন (স্নাঃ ৩য়)

**Man of the Series**

মণিকূট বায়ন (স্নাঃ ৩য়)

**Best Bowler**

মণিকূট বায়ন (স্নাঃ ৩য়)

**Best Player**

জিতু মহন্ত (স্নাঃ ১ম)

বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ ঃ

মৈলাশ ৰাভা (উঃ মাঃ ১ম)

<u>খেল-ধেমালি (ছোৱালীৰ)ঃ</u>

*১০০ মিটাৰ দৌৰঃ*

১ম— জোনালী ৰাভা (উঃ মাঃ ১ম)
২য়— তৰালী কলিতা (উঃ মাঃ ১ম)

*২০০ মিটাৰ দৌৰঃ*

১ম— জোনালী ৰাভা (উঃ মাঃ ১ম)
২য়— মনোমতী বড়ো (উঃ মাঃ ১ম)

*৪০০ মিটাৰ দৌৰ ঃ*

১ম— জোনালী ৰাভা (উঃ মাঃ ১ম)
২য়— মনোমতী বড়ো (উঃ মাঃ ১ম)
থুলিমা ৰাভা (স্নাঃ ১ম)

*৮০০ মিটাৰ দৌৰ ঃ*

১ম— থুলিমা ৰাভা (স্নাঃ ১ম)
২য়— জোনালী ৰাভা (উঃ মাঃ ১ম)
৩য়— মইনা ডেকা (উঃ মাঃ ১ম)

লং জাম্প ঃ

১ম— জোনালী ৰাভা (উঃ মাঃ ১ম)
২য়— মইনা ডেকা (উঃ মাঃ ১ম)
তৰালী কলিতা (উঃ মাঃ ১ম)

ছট্‌পুট্ ঃ

১ম— তাহিৰা বেগম (স্নাঃ ১ম)
২য়— মীনা পাঠক (স্নাঃ ১ম)

ডিচ্‌কাচ্ থ্ৰ ঃ

১ম— নিশা ৰাভা (উঃ মাঃ ১ম)

২য়— তাহিৰা বেগম (স্নাঃ ১ম)

জেভেলিন থ্ৰঃ

১ম— নিশা ৰাভা (উঃ মাঃ ১ম)

২য়— মণিকা স্বৰ্গীয়াৰী (স্নাঃ ১ম)

ৰিলেবেচ (১০০X৪)ঃ

১ম— জোনালী ৰাভা (উঃ মাঃ ১ম)

তৰালী কলিতা (উঃ মাঃ ১ম)

জয়মতী ৰাভা (উঃ মাঃ ১ম)

নিশা ৰাভা (উঃ মাঃ ১ম)

২য়— মীৰা শৰ্মা (স্নাঃ ১ম)

মম্পী দাস (স্নাঃ ১ম)

সবিতা ৰাভা

থুলিমা ৰাভা (স্নাঃ ১ম)

ব্লাইণ্ড্ হিট ঃ

পূৰ্ণিমা নাথ (স্নাঃ ১ম)

সংগীতা শৰ্মা (স্নাঃ ১ম)

চাৰু বৰকাকতি (স্নাঃ ১ম)

গীতালী কলিতা (স্নাঃ ১ম)

স্নিগ্ধা দাস (স্নাঃ ১ম)

সন্তোষী আগৰৱালা (স্নাঃ ২য়)

গীতাঞ্জলি কলিতা (উঃ মাঃ ১ম)

জিতুমণি মেধি (উঃ মাঃ ১ম)

হাইজাম্প ঃ

১ম— থুলিমা ৰাভা (স্নাঃ ১ম)

২য়— জিতুমণি মেধি (উঃ মাঃ ১ম)

বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ ঃ

মিচ্ জোনালী ৰাভা (উঃ মাঃ ১ম)

ছাত্ৰ জিৰণি কোঠা ঃ

*কেৰম (একক) ঃ*

বিজয়ী— মণিকূট বায়ন (স্নাঃ ৩য়)

বিজিত— উৎপল ৰাভা (স্নাঃ ২য়)

কেৰম (দ্বৈত) ঃ

বিজয়ী— মণিকূট বায়ন (স্নাঃ ৩য়)

প্ৰতিৰূপ বায়ন (উঃ মাঃ ১ম)

বিজিত — উৎপল ৰাভা (স্নাঃ ২য়)

ৰোহিত ৰাভা (স্নাঃ ২য়)

বেড্‌মিণ্টন (একক) ঃ

বিজয়ী— মৃণাল পাটোৱাৰী (স্নাঃ ৩য়, বিজ্ঞান)

বিজিত— সঞ্জীৱ চৌধুৰী (উঃ মাঃ ১ম)

বেড্‌মিণ্টন (দ্বৈত) ঃ

বিজয়ী— বিৰিঞ্চি পাঠক (স্নাঃ ৩য়)

মৃণাল পাটোৱাৰী (স্নাঃ ৩য়, বিজ্ঞান)

বিজিত— সঞ্জীৱ চৌধুৰী (উঃ মাঃ ১ম)

প্ৰদীপ দাস (স্নাঃ ১ম)

দবা ঃ

বিজয়ী— মৃণাল পাটোৱাৰী (স্নাঃ ৩য়, বিজ্ঞান)

বিজিত— মৈলাশ ৰাভা (উঃ মাঃ ১ম)

মিক্সড্ ডাবল্ (কেৰম)

বিজয়ী— মণিকূট বায়ন (স্নাঃ ৩য়)

মিচ্ মইনা ডেকা (উঃ মাঃ ১ম)

বিজিত— সঞ্জীৱ চৌধুৰী (উঃ মাঃ ১ম)

মিচ্ গীতালী কলিতা (স্নাঃ ১ম)

মিক্সড্ ডাবল্ (বেড্‌মিণ্টন)

বিজয়ী— বিৰিঞ্চি পাঠক (স্নাঃ ৩য়)

মিচ্ সৰযু পাঠক (উঃ মাঃ ২য়)

বিজিত— প্ৰদীপ দাস (স্নাঃ ১ম)

মিচ্ গীতাঞ্জলি কলিতা (স্নাঃ ১ম)

পাঞ্জা ঃ

চেম্পিয়ন অফ্ দি চেম্পিয়ন)

দীপক ৰাভা (স্নাঃ ২য়)

*(ক) ৬০ কে. জি.ৰ ওপৰত ঃ*

১ম— দীপক ৰাভা (স্নাঃ ২য়)

২য়— প্ৰভাত বড়ো (উঃ মাঃ ১ম)

*(খ) ৫৫-৬০ কে.জি. ঃ*

১ম— বিৰিঞ্চি পাঠক (স্নাঃ ৩য়)

২য়— বিশ্বজিৎ কলিতা (উঃ মাঃ ২য়)

*(গ) ৫৪ কে.জি. লৈ ঃ*

১ম— লোকপ্ৰিয় দাস (স্নাঃ ৩য়)

২য়— নিৰেন কলিতা (উঃ মাঃ ২য়)

ছাত্ৰী জিৰণি কোঠা ঃ

*কেৰম (একক) ঃ*

১ম— মইনা ডেকা (উঃ মাঃ ১ম)

২য়— পূৰ্ণিমা নাথ (স্নাঃ ১ম)

*কেৰম (দ্বৈত) ঃ*

বিজয়ী— মইনা ডেকা (উঃ মাঃ ১ম)

মণিকা স্বৰ্গীয়াৰী (স্নাঃ ১ম)

বিজিত—জয়াৰাণী ৰাভা (স্নাঃ ১ম)

জেউতিৰাণী ৰাভা (স্নাঃ ১ম)

**বেড্‌মিণ্টন (একক) ঃ**

বিজয়ী— গীতাঞ্জলি কলিতা (স্নাঃ ১ম)

বিজিত— সৰুযু পাঠক (উঃ মাঃ ২য়)

**বেড্‌মিণ্টন (দ্বৈত) ঃ**

বিজয়ী—গীতাঞ্জলি কলিতা (স্নাঃ ১ম)

সৰযু পাঠক (উঃ মাঃ ২য়)

বিজিত— অশ্ৰুকণা খাখলাৰী (স্নাঃ ১ম)

জেউতিমণি ৰাভা (উঃ মাঃ ২য়)

**দবা ঃ**

বিজয়ী— তৰালী কলিতা (উঃ মাঃ ১ম)

বিজিত— গীতাঞ্জলি কলিতা (স্নাঃ ১ম)

**ৰিং (একক) ঃ**

বিজয়ী— কণিকা নাথ (উঃ মাঃ ২য়)

বিজিত— পূৰ্ণিমা নাথ (স্নাঃ ১ম)

**ৰিং (দ্বৈত) ঃ**

বিজয়ী— স্নিগ্ধা দাস (স্নাঃ ১ম)

মীৰা শৰ্মা (স্নাঃ ১ম)

বিজিত— জয়াৰাণী ৰাভা (স্নাঃ ১ম)

মম্পী দাস (স্নাঃ ১ম)

**পাঞ্জাঃ**

১ম— হীৰামণি ৰাভা (উঃ মাঃ ২য়)

২য়— মঞ্জু বড়ো (স্নাঃ ১ম)

**মিউজিকেল চেয়াৰ ঃ**

১ম— কণিকা নাথ (উঃ মাঃ ২য়)

২য়— মেঘালী দাস (স্নাঃ ২য়)

**সাজপাৰ ঃ**

১ম— ইলা কলিতা (উঃ মাঃ ২য়)

২য়— জয়াৰাণী ৰাভা (স্নাঃ ১ম)

**চিলাই ঃ**

১ম— সোণতৰা বড়ো (উঃ মাঃ ১ম)

২য়— গীতা বড়ো (স্নাঃ ২য়)

**পিঠা প্ৰতিযোগিতা ঃ**

১ম— কামিনী তালুকদাৰ (স্নাঃ ২য়)

জিতুমণি মেধি (উঃ মাঃ ১ম)

২য়— তাহিৰা বেগম (স্নাঃ ১ম)

আবিদা বেগম (স্নাঃ ১ম)

**পুষ্প সজ্জা ঃ**

১ম— হান্না মাৰাক (স্নাঃ ২য়)

২য়— স্বৰ্ণময়ী কলিতা (স্নাঃ ১ম)

মাৰচি মাৰাক (স্নাঃ ১ম)

**অন্তাঃক্ষৰীক ঃ**

১ম দল- পাৰুল কুমাৰী (স্নাঃ ১ম)

দুলুমণি মহন্ত (স্নাঃ ১ম)

শ্ৰীসোণমণি বায়ন (উঃ মাঃ ১ম)

২য় দল— শ্ৰীপ্ৰতিৰূপ বায়ন (উঃ মাঃ ১ম)

যুতিকা মহন্ত (উঃ মাঃ ২য়)

ৰূপম কলিতা (উঃ মাঃ ১ম)

**বিশেষ বঁটা**

মিচ্ তাহিৰা বেগম (স্নাঃ ১ম)

**সমাজ সেৱা ঃ**

১ম— মিচ্ বৰ্ণালী কলিতা (স্নাঃ ১ম)

মিচ্ মীৰা শৰ্মা (স্নাঃ ১ম)

মিচ্ মলয়া কলিতা (স্নাঃ ১ম)

মিচ্ পিংকি আগৰৱালা (স্নাঃ ২য়)

শ্ৰীসত্যজিৎ কলিতা (স্নাঃ ৩য়)

শ্ৰীজ্যোতিপ্ৰসাদ ঠাকুৰীয়া (স্নাঃ ২য়)

শ্ৰীদ্বিপেন বৰুৱা (স্নাঃ ১ম)

শ্ৰীমাণিক কুমাৰ (উঃ মাঃ ১ম)

২য়— মিচ্ সবিতা শৰ্মা (স্নাঃ ২য়)

মিচ্ সংগীতা শৰ্মা (স্নাঃ ১ম)